# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 08-07-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

Headlines

১। ৰাজ্যখনৰ বান পৰিস্থিতি উন্নত। বানপীড়িত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত। কেইবাগৰাকীও জ্যেষ্ঠ মন্ত্ৰীৰ আশ্ৰয় শিবিৰ পৰিদৰ্শন।

২। বান পৰিস্থিতিৰ জোৰা মাৰিবলৈ কেন্দ্ৰীয় চৰকাৰক সম্ভৱপৰ সকলো ধৰণৰ সাহায্য প্ৰদান কৰিবলৈ বিৰোধী দলপতি ৰাহুল গান্ধীৰ আহ্বান।

৩। আশ্ৰয় শিবিৰত থকা শিশু আৰু মহিলাসকলৰ বিশেষ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি শিশু খাদ্য, ছেনিটাৰি নেপকিন, ঔষধ আদিৰ নিয়মিত যোগান নিশ্চিত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

*আৰু*

৪। চলিত বৰ্ষৰ ভিতৰত তৃতীয়-চতুৰ্থ বৰ্গৰ কৰ্মচাৰী, ৰাজ্যিক আৰক্ষীৰ উপ-পৰিদৰ্শক, কনিষ্ঠবল নিযুক্তিৰ বাবে প্ৰয়োজনীয় আনুষ্ঠানিকতা আলোচনা চূড়ান্ত কৰিবলৈ বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক।

০০০০০০০০

বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও ২৮ খন জিলাৰ প্ৰায় ২২ লাখ লোক এতিয়াও বানৰ কবলত আছে। বানত বিগত ২৪ ঘণ্টাত ৮ জন লোকে প্ৰাণ হেৰুওৱাৰ ফলত ৰাজ্যখনত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬৬ লৈ বৃদ্ধি পাইছে। ৰাজ্যখনৰ ৯৭টা ৰাজহ চক্ৰৰ ৩ হাজাৰ ৪০০ খনৰো অধিক গাঁও বানত প্লাৱিত হৈছে আৰু ৬৮ হাজাৰ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। বিগত ২৪ ঘণ্টাত এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু অন্যান্য উদ্ধাৰকাৰী বাহিনীয়ে বিভিন্ন প্ৰান্তৰ ২১৮ জন লোকক উদ্ধাৰ কৰিছে। প্ৰশাসনে স্থাপন কৰা ২৬৯টা আশ্ৰয় শিবিৰত ৫৩ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। কেন্দ্ৰীয় জল আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ লগতে আন কেইবাখনো নৈ-উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰত আছে। বিগত ২৪ ঘণ্টাত অন্যান্য আন্তঃগাঁথনিৰ লগতে ১৭২টা পথ আৰু ৬ খন দলং ক্ষতিগ্ৰস্ত হৈছে। তদুপৰি বানত ১৫ লাখৰো অধিক পশুধনৰ ক্ষতি হৈছে।

অসম চৰকাৰে বানৰ সময়ছোৱাত ক্ষতিগ্ৰস্ত জনসাধাৰণক সহায় কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিয়মিতভাৱে স্বাস্থ্য শিবিৰ মুকলি কৰি প্ৰয়োজনীয় ঔষধ আৰু অন্যান্য সামগ্ৰী প্ৰদান কৰি আছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয় যে আশ্ৰয় শিবিৰত থকা শিশু আৰু মহিলাসকলৰ বিশেষ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি শিশু খাদ্য, ছেনিটাৰি নেপকিন, ঔষধ আদিৰ নিয়মিত যোগান নিশ্চিত কৰা হৈছে।

মন্ত্ৰী কেশৱ মহন্তই আজি জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কাযৰীয়া বান ক্ষতিগ্ৰস্ত অঞ্চলৰ আশ্ৰয় শিবিৰত আশ্ৰয় লৈ থকা জনসাধাৰণৰ সৈতে মত বিনিময় কৰাৰ উপৰি খাদ্য সামগ্ৰীৰ ব্যৱস্থাপনা, চিকিৎসা সেৱা আদিৰ বুজ লয়। তেওঁ বৰভগীয়া ৰাতুলঘাট, এৰাকলং মাজুলী আদি অঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। ইফালে, ইউনিচেফৰ এটা দলে আজি টিংখাং ৰাজহ চক্ৰৰ ধানপুৰ মজলীয়া বিদ্যালয় আৰু বালিয়নি বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে। দলটোৱে শিবিৰত থকা মহিলা, শিশু তথা কিশোৰীসকলৰ বাবে উপলব্ধ সা-সুবিধাৰ বুজ লোৱাৰ উপৰি সংহত শিশু উন্নয়ন প্ৰকল্পৰ দ্বাৰা শিবিৰত চলাই থকা কাৰ্যকলাপ সম্পৰ্কেও অৱগত হয়।

বানৰ সময়ছোৱাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে চলাচল কৰা উজনি আৰু নামনি অভিমুখী যান-বাহনসমূহক আৰক্ষী আৰু বন বিভাগৰ বাহনৰ জৰিয়তে এছক'ৰ্ট প্ৰদান কৰি চলাচল কৰোৱাৰ ব্যৱস্থা কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনত চোৰাং চিকাৰ ৰোধ কৰাৰ

বাবে প্ৰথমবাৰলৈ থাৰ্মেল ড্ৰোণৰ ব্যৱহাৰ কৰা হৈছে। বানৰ সময়ত বন্য জন্তুৰ সুৰক্ষাৰ বাবে উদ্যান কৰ্তৃপক্ষই তথ্য প্ৰযুক্তি ব্যৱহাৰ কৰি এই পদক্ষেপ লৈছে। উল্লেখযোগ্য যে বানৰ সময়ত ৰাষ্ট্ৰীয় উদনৰ পৰা ওলাই অহা বন্য জন্তুসমূহে কাৰ্বি পাহাৰৰ লগতে জনাঞ্চলতো আশ্ৰয় লৈ আছে। এনেক্ষেত্ৰত চোৰাং চিকাৰীয়ে যাতে জীৱ-জন্তুসমূহৰ ক্ষতি কৰিব নোৱাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখি এই ব্যৱস্থা লোৱা হৈছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় উদ্যানখনৰ ৬৯ টা বন শিবিৰ জলমগ্ন হৈ আছে। আনহাতে, ১৩৭ টা বন্যপ্ৰাণীৰ মৃত্যু হোৱাৰ বিপৰীতে ৯৯ টা বন্য জন্তু উদ্ধাৰ কৰা হৈছে। গোলাঘাট জিলাৰ সামগ্ৰিক বান পৰিস্থিতি সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে কয় –

(ভইচ)

কৰিমগঞ্জ জিলাৰ বিভিন্ন অঞ্চল বানত বুৰ গৈছে। জিলাখনৰ নিলাম বজাৰ, কৰিমগঞ্জ সদৰ বদৰপুৰ আৰু পাথাৰকান্দি ৰাজহ চক্ৰৰ ৬০ টা অঞ্চল ক্ষতিগ্ৰস্ত হৈছে। জিলাখনত স্থাপন কৰা ৪২ টা শিবিৰত ৩ হাজাৰ ৫০০ ৰো অধিক লোকে আশ্ৰয় লৈ আছে। জিলাখনত ৪০ হাজাৰৰো অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। গোলাঘাট জিলাৰ বোকাখাতৰ কুৰুৱাবাহী নিকৰি ঘাটত ধনশিৰি নৈত পৰি এজন লোক সন্ধানহীন হোৱা বুলি জানিব পৰা গৈছে।

ডিব্ৰুগড় জিলা আয়ুক্তই আজি জিলাখনৰ পশ্চিম ৰাজহ চক্ৰৰ অন্তৰ্গত নগাখেলিয়া আৰু ম'হ পোৱালিমৰা শিৱ মন্দিৰৰ সমীপত ব্ৰহ্মপুত্ৰৰ খহনীয়া পৰিদৰ্শন কৰাৰ লগতে জলসম্পদ বিভাগে দুয়োটা অঞ্চলত চলাই থকা কাম-কাজৰ বুজ লয়। একেদৰে ৰাজ্যৰ সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিবে আজি যোৰহাট জিলাৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰে। নগাঁও জিলাৰ কলিয়াবৰত বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। কলং নৈৰ বাঢ়নী পানীয়ে ন ন অঞ্চল প্লাৱিত কৰিছে। এতিয়ালৈ কলিয়াবৰত ৬০ হাজাৰ লোক বানত ক্ষতিগ্ৰস্ত হৈছে। হাইলাকান্দি জিলাৰ এটা পথ বানে ছিঙি নিয়াৰ ফলত জিলাখনৰ নিমাইচান্দপুৰৰ পৰা মনচ'ৰাৰ মাজত যোগাযোগ ব্যাহত হৈ পৰিছে। বিগত কেইবাদিন ধৰি ধাৰাসাৰ বৰষুণৰ ফলত কাটাখাল নৈৰ বাঢ়নী পানীয়ে নিমাইচান্দপুৰৰ মথাউৰি চিঙি পেলোৱাৰ ফলত বিস্তীৰ্ণ অঞ্চল প্লাৱিত হৈছে। ইপিনে দুলীয়াজানত বুঢ়ীদিহিং নৈৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত ভালেমান অঞ্চল প্লাৱিত হৈছে। দুলীয়াজান সমষ্টিৰ টেঙাখাটত মথাউৰি চিগাৰ ফলত জনসাধাৰণ সমস্যাৰ সন্মুখীন হৈছে। অসম চৰকাৰৰ চিকিৎসা, শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত সচিবে আজি মৰিগাঁও জিলাৰ বিভিন্ন বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। তেওঁ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ বানৰ সময়ছোৱাত জনসাধাৰণৰ সুৰক্ষাৰ বাবে যাৱতীয় ব্যৱস্থা ল'বলৈ সংশ্লিষ্টসকলক নিৰ্দেশ দিয়ে।

বৰপেটা জিলাৰ সামগ্ৰিক বান পৰিস্থিতি উন্নত হৈছে। পানী হ্ৰাস পোৱাৰ পাছত বিভিন্ন অঞ্চলত ৰোগৰ প্ৰাদুৰ্ভাৱ হোৱাৰ আশংকা কৰি স্বাস্থ্য বিভাগে শিবিৰ মুকলি কৰাৰ লগতে সজাগতা সভা অনুষ্ঠিত কৰিছে। জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালকে প্ৰকাশ কৰা মতে নৌকা স্বাস্থ্য কেন্দ্ৰৰ জৰিয়তে চৰ অঞ্চলসমূহত এনে শিবিৰ মুকলি কৰা হৈছে। তদুপৰি পোহনীয়া জীৱ-জন্তুৰ বাবেও জিলা পশুপালন আৰু পশু চিকিৎসা বিভাগে শিবিৰ মুকলি কৰিছে।

ধুবুৰী জিলাৰ বিলাসীপাৰাৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও বিস্তীৰ্ণ অঞ্চল প্লাৱিত হৈ আছে। চৰকাৰৰ লগতে স্বেচ্ছাসেৱী সংস্থাসমূহে অঞ্চলটোত অত্যাৱশ্যকীয় সামগ্ৰী তথা ঔষধ আদিৰ যোগান অব্যাহত ৰাখিছে। গোৱালপাৰা জিলাত বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও জিলাখনৰ ৩৩৪ খন গাঁৱৰ বিভিন্ন অঞ্চল বানত বুৰ গৈ আছে। শেহতীয়া বানত জিলাখনৰ ৯৫ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে।

এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন আজমলৰ নেতৃত্বত আজি বিধায়ক চিৰাজুদ্দিন আজমল আৰু নজৰুল হকে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি অসমৰ সাম্প্ৰতিক বান পৰিস্থিতি সন্দৰ্ভত এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। এই পত্ৰত ক্ষতিগ্ৰস্ত ৰাইজক প্ৰয়োজনীয় সুবিধা আগবঢ়োৱাৰ লগতে মথাউৰিসমূহ সঠিকভাৱে নিৰ্মাণ কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি মোকাবিলা কৰিবলৈ কংগ্ৰেছ সাংসদ তথা বিৰোধীৰ দলপতি ৰাহুল গান্ধীয়ে কেন্দ্ৰীয় চৰকাৰক সম্ভৱপৰ সকলো ধৰণৰ সাহায্য প্ৰদান কৰিবলৈ আহ্বান জনাইছে। সাংসদগৰাকীয়ে আজি কাছাৰ জিলাৰ

ফুলেৰতলৰ বান শিবিৰ পৰ্যৱেক্ষণ কৰি বন্যাৰ্তসকলৰ সৈতে মত বিনিময় কৰে। ইয়াৰ পূৰ্বে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন বৰাৰ নেতৃত্বত এটা প্ৰতিনিধি দলে ৰাজ্যৰ বান সমস্যা সন্দৰ্ভত সাংসদগৰাকীক এখন স্মৰাকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰখনত বানৰ ভয়াবহ প্ৰভাৱৰ ওপৰত আলোকপাত কৰি বন্যাৰ্তসকলে সন্মুখীন হোৱা পৰিস্থিতিৰ বিষয়ে উল্লেখ কৰা হৈছে। লগতে কেন্দ্ৰৰ পৰা লাভ কৰা সাহায্য সন্দৰ্ভতো প্ৰতিনিধি দলটোৱে পত্ৰখনত গুৰুত্ব আৰোপ কৰে। বান শিবিৰ পৰ্যৱেক্ষণৰ অন্তত তেওঁ মণিপুৰত উপস্থিত হয়। সাংসদগৰাকীয়ে জিৰিবামত হিংসাৰ বলি হোৱা একাংশ লোকৰ সৈতে মত বিনিময় কৰে।ইয়াৰ পিছত তেওঁ চূড়াচান্দপুৰলৈ গৈ আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে।

০০০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে যোৱা পহিলা জুলাইৰ পৰা বাক্সা জিলাতো বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। কালি সন্ধিয়া প্ৰচাৰিত আকাশবাণী গুৱাহাটীৰ চলন্তিকা অনুষ্ঠানত আয়ুক্ত কৃষ্ণা বৰুৱাই জিলাখনত ৰূপায়ণ হৈ থকা সম্পূৰ্ণতা অভিযানৰ খতিয়ান দাঙি ধৰে। আয়ুক্তগৰাকীয়ে সদৰি কৰা মতে বাক্সা জিলাত এই অভিযান এক জুলাইৰ পৰা ৩০ ছেপ্তেম্বৰলৈ চলিব। ছটা বিভাগত কেন্দ্ৰীয় চৰকাৰে দিয়া লক্ষ্য নিৰ্ধাৰণৰ বাবে জিলা প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিব বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰিছে। জিলাখনৰ দুটা সমূহীয়া স্বাস্থ্যকেন্দ্ৰ, দুখন আদৰ্শ চিকিৎসালয়, ২৭খন প্ৰাথমকি স্বাস্থ্য কেন্দ্ৰ, এহেজাৰ ৪৫৩ টা অংগনবাড়ী কেন্দ্ৰ আৰু ২২ টা আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ জৰিয়তে সম্পূৰ্ণতা অভিযানৰ অধীনত গৰ্ভৱতী মহিলাসকলক সজাগ কৰাৰ প্ৰয়াস চলোৱা হ'ব বুলি আয়ুক্তগৰাকীয়ে সদৰি কৰিছে।

উল্লেখযোগ্য যে সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ড সমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তৃতীয়-চতুৰ্থ বৰ্গৰ কৰ্মচাৰী নিযুক্তি, ৰাজ্যিক আৰক্ষীৰ উপ-পৰিদৰ্শক, কনিষ্ঠবল নিযুক্তিৰ বাবে প্ৰয়োজনীয় সকলো আনুষ্ঠানিকতা আলোচনা চূড়ান্ত কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত পৰীক্ষা প্ৰক্ৰিয়া স্বচ্ছতা বজাই ৰখাকে ধৰি নিযুক্তি সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। অহা বছৰৰ আৰম্ভণিতে স্বচ্ছতা বজাই ৰাখি চৰকাৰী চাকৰি ৰাজ্যৰ দক্ষ যুৱক-যুৱতীসকলক নিযুক্তি দিয়াৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। আনহাতে, তেওঁ জনতাভৱনত ৰাজ্যৰ প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল সন্দৰ্ভত এখন বৈঠকত মিলিত হৈ পৰিৱেশ সংৰক্ষণ আৰু সেউজ আৱৰণ বৃদ্ধিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বৈঠকত স্থানীয় বসতি, মাটিকালিৰ পৰিমাণ আদিকে ধৰি বিভিন্ন বিষয় বিতংভাৱে অধ্যয়ন কৰি ইতিবাচক আৰু গঠনমূলক পদক্ষেপ লোৱাৰ দিশত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ প্ৰদান কৰে।

আন এখন বৈঠকত অংশ লৈ তেওঁ খেল মহাৰণৰ প্ৰতিভাৱান খেলুৱৈসকলৰ ক্ৰীড়া প্ৰতিভা অধিক বিকশাই তোলাৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক আহ্বান জনায়।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চৰকাৰী ভ্ৰমণসূচীলৈ ৰাছিয়াৰ মস্কোত উপস্থিত হৈছে। মস্কোৰ বিমান বন্দৰত তেওঁক গাৰ্ড অব্ অ'নাৰ প্ৰদান কৰা হয়। ৰাছিয়াৰ প্ৰথম উপ-প্ৰধানমন্ত্ৰী ডেনিছ মণ্টুৰভে তেওঁক আদৰণি জনায়। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদীয়ে মস্কোত ২২ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনত দুয়োখন দেশৰ দ্বিপাক্ষীক চুক্তি, প্ৰতিৰক্ষা, বাণিজ্য, বিনিয়োগ, শিক্ষা, সংস্কৃতি সন্দৰ্ভত আলোচনা কৰা হ'ব। আঞ্চলিক আৰু গোলকীয় পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়ত দুয়োগৰাকী নেতাই বাৰ্তালাপ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে তেওঁলোকৰ আলোচনাৰ সময়ত ব্ৰিকছ, চাংহাই সহযোগিতা সংস্থা, জি-২০, পূব এছিয় সন্মিলন আৰু ৰাষ্ট্ৰসংঘৰ দৰে গ্ৰুপিং পৰ্যায়ত দ্বিপাক্ষিক সম্পৰ্কৰ সন্দৰ্ভত আলোকপাত কৰিব। আনহাতে ভ্লাডিমিৰ পুটিনে আয়োজন কৰা নৈশ ভোজতো তেওঁ অংশ ল'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ ৰাছিয়াত থকা প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ক্ৰেমলিনত পৰিচয় বিহীন সৈনিকসকলৰ সমাধিত মাল্যাৰ্পন কৰিব আৰু মস্কোত ৰোছাটন পেভিলিয়নো দৰ্শন কৰিব। উল্লেখযোগ্য যে এই ভ্ৰমণৰ পূৰ্বে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে, এই ভ্ৰমণ ৰাছিয়া আৰু অষ্ট্ৰিয়াৰ সৈতে সম্পৰ্ক সদৃঢ় কৰি তোলাৰ এটা সুন্দৰ সুযোগ হ'ব। ভাৰত ৰাছিয়াৰ সম্পৰ্কৰ বিষয়ে প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, তেওঁ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে দ্বিপাক্ষিক সহযোগিতাৰ সকলো দিশ পুনৰ নিৰীক্ষণ কৰাৰ লগতে বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয়ত দৃষ্টিভংগী বিনিময় কৰিবলৈ আগ্ৰহী। তেওঁ লগতে কয় যে, ভাৰত আৰু ৰাছিয়াৰ কৌশলগত অংশীদাৰিত্ব যোৱা ১০ বছৰত বহু খণ্ডত আগবাঢ়িছে। এই খণ্ডসমূহৰ ভিতৰত প্ৰতিৰক্ষা, বাণিজ্য, বিনিয়োগ, শক্তি সহযোগিতা, শিক্ষা, সংস্কৃতি, পৰ্যটন আৰু পৰস্পৰৰ মাজৰ বিনিময় আদি অন্তৰ্ভুক্ত। শ্ৰীমোদীয়ে কয় যে, ভাৰতে এই ক্ষেত্ৰত শান্তি আৰু সুস্থিৰতাৰ বাবে কাম কৰিবলৈ বিচাৰে। ৰাছিয়া ভ্ৰমণৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে অষ্ট্ৰিয়ালৈ ৰাওনা হ'ব। অষ্ট্ৰিয়া ভ্ৰমণৰ বিষয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, ভাৰত-অষ্ট্ৰিয়াৰ দৃঢ় তথা বিশ্বাসযোগ্য অংশীদাৰ আৰু দুয়োখন দেশেই বহুত্ববাদৰ আদৰ্শ পালন কৰে। অষ্ট্ৰিয়া ভ্ৰমণৰ কালছোৱাত তেওঁ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ভেন ডেৰ বেলেন আৰু চেঞ্চেলৰ কাৰ্ল নেহাম্মাৰক সাক্ষাৎ কৰিব। উল্লেখযোগ্য যে যোৱা ৪০ বছৰতকৈও অধিক সময়ৰ ভিতৰত এয়া হৈছে কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথমটো অষ্ট্ৰিয়া ভ্ৰমণ।

০০০০০০০০০

গুৱাহাটী মহানগৰীৰ পশ্চিম জ্যোতিনগৰৰ কালী মন্দিৰৰ সমীপত বৃহস্পতিবাৰে নলাত পৰি প্ৰাণ হেৰুওৱা অবিনাশ সৰকাৰ নামৰ শিশুটিৰ নুনমাটিৰ শ্যামনগৰৰ বাসগৃহত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে শিশুটিৰ পিতৃ-মাতৃৰ সৈতে মত বিনিময় কৰাৰ লগতে সমবেদনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে বৃহস্পতিবাৰে সন্ধানহীন হোৱা শিশুটিৰ মৃতদেহ  কালি ৰাজগড়ত উদ্ধাৰ কৰা হৈছিল। কংগ্ৰেছ দলৰ সাংসদ ৰাহুল গান্ধীয়ে আজি এই শিশুটিৰ মৃত্যুক লৈ গভীৰ শোক প্ৰকাশ কৰে। তেওঁ লগতে বানত প্ৰাণ হেৰুওৱা ৰাজ্যখনৰ প্ৰতিজন ব্যক্তিৰ পৰিয়ালক সমবেদনা জ্ঞাপন কৰে।

০০০০

অসম চৰকাৰে ৰাজ্যখনত সেউজ আৱৰণ বৃদ্ধি আৰু অধিক সংৰক্ষিত বনাঞ্চল এলেকা নিৰ্ধাৰণ কৰাৰ লক্ষ্যৰে ব্যাপক পৰিকল্পনা লৈ কাম-কাজ অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এই বিষয়ে প্ৰকাশ কৰি কয় যে ৰাজ্য চৰকাৰে ৩০ টা প্ৰস্তাৱিত বন এলেকাক সংৰক্ষিত বনাঞ্চল হিচাপে নিৰ্ধাৰণ কৰাৰ পৰিকল্পনা লৈছে। ইয়াৰ ফলত জীৱ-জন্তু সমূহৰো সুৰক্ষা নিশ্চিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ড° শৰ্মাই আজি এই সন্দৰ্ভত প্ৰস্তাৱসমূহ আলোচনা কৰাৰ বাবে এখন বৈঠকত মিলিত হয়। বৈঠকত বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ লগতে বন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**